NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-09-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

০০০০০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২১ৰ পৰা ২৩ ছেপ্তেম্বৰলৈ আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণ কৰিব।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে, উজ্জয়িনীৰ মহাকালত সংস্কৃতি আৰু সভ্যতাৰ পৰম্পৰা কেইবা শতিকাজুৰি প্ৰচলিত হৈ আহিছে।

৩। পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে কৈছে যে, চৰকাৰে হাইড্ৰ’জেনৰ ব্যৱহাৰৰ সহায়ত অনাগত সময়ত জীৱাশ্ম ইন্ধনৰ আমদানি প্ৰায় ২২ লাখ কোটিৰ পৰা ৪ লাখ কোটিলৈ হ্ৰাস কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

৪। পেট্ৰ’লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে এন ডি এ চৰকাৰৰ তৃতীয় কাৰ্য্যকালৰ প্ৰথম ১০০ দিনত ভালেমান গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে।

***আৰু***

৫। ভাৰতে আজি বাংগালুৰুত বাংলাদেশৰ বিৰুদ্ধে অনুষ্ঠিত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ প্ৰথম দিনৰ খেলৰ সামৰণিৰ পৰলৈকে প্ৰথম ইনিংছত ৬টা উইকেট হেৰুৱাই ৩৩৯ ৰাণ সংগ্ৰহ কৰে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২১ৰ পৰা ২৩ ছেপ্তেম্বৰলৈ আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণ কৰিব। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বিদেশ সচিব বিক্ৰম মিস্ৰীয়ে কয় যে, ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে ভালেমান দ্বিপাক্ষিক আৰু বহুপাক্ষিক দিশক লৈ আলোচনা কৰিব। তেওঁ কয় যে, শ্ৰীমোদীয়ে ভ্ৰমণকালত কেইবাগৰাকীও বিদেশী নেতাৰ সৈতে বৈঠকত মিলিত হ’ব আৰু আমেৰিকাত বাস কৰা ভাৰতীয় নাগৰিকসকলৰ সৈতে মত বিনিময় কৰিব। প্ৰধানমন্ত্ৰীয়ে আগশাৰীৰ ব্যৱসায়ী আৰু উদ্যোগপতিৰ সৈতেও আলোচনাত মিলিত হ’ব বুলি বিদেশ সচিবগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীমিস্ৰীয়ে কয় যে, প্ৰধানমন্ত্ৰীয়ে শনিবাৰে ৱাশ্বিংটনৰ ডেলাৱেৰত হ’বলগীয়া কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ নেতাসকলৰ চতুৰ্থ শীৰ্ষ সন্মিলনত ভাগ ল’ব। প্ৰধানমন্ত্ৰীয়ে কোৱাড সন্মিলনত ভাগ লোৱাৰ সুযোগতে কেইবালানিও দ্বিপাক্ষিক বৈঠকত মিলিত হ’ব বুলি তেওঁ জানিবলৈ

দিয়ে। শ্ৰীমিস্ৰীয়ে কয় যে, ভাৰতে অহা বছৰ কোৱাড শীৰ্ষ সন্মিলনৰ আয়োজন কৰিব। বিদেশ সচিবগৰাকীয়ে কয় যে, প্ৰধানমন্ত্ৰীয়ে ডেলৱেৰৰ পৰা ৰাষ্ট্ৰসংঘৰ **ভৱিষ্যতৰ শীৰ্ষ** সন্মিলনত ভাগ লোৱাৰ উদ্দেশ্যে নিউয়ৰ্কলৈ যাব। প্ৰধানমন্ত্ৰীয়ে সোমবাৰে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত **ভৱিষ্যতৰ শীৰ্ষ** সন্মিলনত ভাষণ দিব।

এই সন্মিলনৰ মূল বিষয়বস্তু হৈছে উন্নত ভৱিষ্যতৰ বাবে বহুপাক্ষিক সমাধান। বিশ্বৰ বিভিন্ন প্ৰান্তৰ ভালেসংখ্যক নেতাই এই সন্মিলনত অংশগ্ৰহণ কৰিব। সন্মিলনত ভাগ লোৱাৰ আপাহতে প্ৰধানমন্ত্ৰী মোদীয়ে বিভিন্ন দেশৰ নেতৃবৰ্গৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব আৰু পাৰস্পৰিক স্বাৰ্থজড়িত ভিন ভিন বিষয় লৈ আলোচনা কৰিব বুলি বিদেশ সচিবগৰাকীয়ে প্ৰকাশ কৰে। বিদেশ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে প্ৰধানমন্ত্ৰীয়ে কৃত্ৰিম বুদ্ধিমত্তা, কোৱাণ্টাম কম্পিউটিং, অৰ্দ্ধপৰিবাহী আৰু জৈৱ প্ৰযুক্তি আদি ক্ষেত্ৰত উভয় দেশৰ মাজত সহযোগিতা অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ আগশাৰীৰ কোম্পানীসমূহৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতেও মত বিনিময় কৰিব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি শ্ৰীনগৰত এখন নিৰ্বাচনী সভাত সম্বোধন কৰে। শ্ৰীমোদীয়ে জম্মু-কাশ্মীৰত অহা ২৫ ছেপ্তেম্বৰত অনুষ্ঠিত হ'ব লগা দ্বিতীয় পৰ্য্যায়ৰ বিধানসভাৰ নিৰ্বাচনত জনসাধাৰণক অভিলেখ পৰিমাণৰ ভোটদান কৰিবলৈ আহ্বান জনাইছে। জম্মু-কাশ্মীৰক সম্পূৰ্ণ ৰাজ্যৰ মৰ্য্যাদা পুনৰ প্ৰদান কৰাৰ বাবে তেওঁৰ চৰকাৰে সংসদত প্ৰকাশ কৰাৰ কথা দোহাৰি শ্ৰীমোদীয়ে কয় যে, কেৱল বিজেপিয়েহে এই প্ৰতিশ্ৰুতিৰদ্ধতা পূৰণ কৰিব পাৰিব। শ্ৰীমোদীয়ে কয় যে, জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনৰ কালি অনুষ্ঠিত প্ৰথম পৰ্য্যায়ৰ নিৰ্বাচনত জনসাধাৰণে বিপুল পৰিমাণৰ ভোটদান সাব্যস্ত কৰি নতুন ইতিহাস ৰচনা কৰিলে। তেওঁ কয় যে, কোনো ধৰণৰ সন্ত্ৰাসবাদী কাৰ্য্য-কলাপ নোহোৱাকৈ প্ৰথমবাৰৰ বাবে কালি প্ৰথম পৰ্য্যায়ৰ ভোটদান সম্পন্ন হয়। ভাষণ প্ৰসংগত শ্ৰীমোদীয়ে নেচনেল কনফাৰেন্স, পি ডি পি আৰু কংগ্ৰেছক তেওঁলোকে কেৱল ৰাজনৈতিক স্বাৰ্থৰ বাবে কাশ্মীৰক ধ্বংস কৰিছে বুলি সমালোচনা কৰে। তেওঁ কাশ্মীৰলৈ শান্তিৰ পৰিৱেশ ঘূৰাই অনাৰ সফলতাৰ কথাও উল্লেখ কৰে।

প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে কয় যে, উপত্যকাটোলৈ শান্তিৰ পৰিৱেশ ঘূৰি অহাৰ ফলত জি-টুৱেণ্টিৰ লেখিয়া আন্তঃৰাষ্ট্ৰীয় কাৰ্য্যসূচী অনুষ্ঠিত কৰা হৈছে। তেওঁ লগতে উত্তৰ কাশ্মীৰৰ গুলমাৰ্গত প্ৰতিবছৰে খেলো ইণ্ডিয়া শীতকালীন ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ কথা উল্লেখ কৰে।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে, উজ্জয়িনীৰ মহাকালত সংস্কৃতি আৰু সভ্যতাৰ পৰম্পৰা কেইবা শতিকাজুৰি প্ৰচলিত হৈ আহিছে। উজ্জয়িনীত আজি চাফাই মিত্ৰ সন্মিলনত অংশগ্ৰহণ কৰি দিয়া ভাষণত তেওঁ এই কথা প্ৰকাশ কৰে। শ্ৰীমতী মুৰ্মুৱে লগতে ইন্দোৰ-উজ্জয়িনী সংযোগী ছটা শাৰীযুক্ত পথ প্ৰকল্পৰ ভূমি পূজন অনুষ্ঠানো ভাৰ্চুৱেল ব্যৱস্থাৰ জৰিয়তে সম্পন্ন কৰে।

এই অনুষ্ঠানত দিয়া ভাষণত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, বিগত ১০টা বছৰত স্বচ্ছতা অভিযান এটা ৰাষ্ট্ৰজোৰা কাৰ্যসূচী হিচাপে পৰিগণিত হৈছে আৰু এই অভিযানে দেশত অভূতপূৰ্ব পৰিৱৰ্তন সাধন কৰিছে। মধ্যপ্ৰদেশৰ কেইবাখনো নগৰ-মহানগৰক ইতিমধ্যে চাফাই মিত্ৰৰ বাবে নিৰাপদ নগৰ হিচাপে ঘোষণা কৰাৰ

বিষয়ে জানিব পাৰি সুখী হোৱা বুলি তেওঁ মত প্ৰকাশ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে কয় যে, ২০২৫ চনলৈকে চলিবলগীয়া স্বচ্ছ ভাৰত অভিযানৰ দ্বিতীয় পৰ্যায়ত আমি সম্পূৰ্ণ পৰিচ্ছন্নতাৰ লক্ষ্যত উপনীত হ'ব লাগিব।

অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ড০ মোহন যাদৱে কয় যে, মধ্যপ্ৰদেশে স্বচ্ছ ভাৰত অভিযানৰ ক্ষেত্ৰত দেশৰ ভিতৰতে দ্বিতীয় স্থান দখল কৰিছে। ইন্দোৰে সাতবাৰ দেশৰ ভিতৰত সবাতোকৈ পৰিচ্ছন্ন নগৰৰ মৰ্যাদা লাভ কৰাৰ লগতে ভূপালেও দেশৰ ভিতৰত পৰিচ্ছন্ন ৰাজধানী হিচাপে গৌৰৱ অৰ্জন কৰিবলৈ সমৰ্থ হৈছে বুলি তেওঁ প্ৰকাশ কৰে। মধ্যপ্ৰদেশৰ ৰাজ্যপাল মংগুভাই পেটেলে অনুষ্ঠানত ভাগ লৈ কয় যে, উজ্জয়িনী-ইন্দোৰ সংযোগী ছটা শাৰীযুক্ত ৰাষ্ট্ৰীয় ঘাইপথটোৱে আধ্যাত্মিক-সাংস্কৃতিক চহৰ উজ্জয়িনীলৈ অহা ভক্তসকলৰ যাত্ৰা সুচল কৰি তুলিব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে আজিৰ অনুষ্ঠানত পাঁচগৰাকী অনাময় কৰ্মীক সন্মান প্ৰদান কৰে।

000000000

পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে কৈছে যে, চৰকাৰে হাইড্ৰ'জেনৰ ব্যৱহাৰৰ সহায়ত অনাগত সময়ত জীৱাশ্ম ইন্ধনৰ আমদানি প্ৰায় ২২ লাখ কোটিৰ পৰা ৪ লাখ কোটিলৈ হ্ৰাস কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। আজি নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত অংশ লৈ মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, চৰকাৰে আৱৰ্জনাৰ পৰা ইন্ধন উৎপন্ন কৰা মীৰাই বাহন প্ৰকল্প ক্ষীপ্ৰতাৰে আগুৱাই নিছে। তেওঁ লগতে কয় যে, জৈৱ প্ৰযুক্তিৰ ব্যৱহাৰেৰে কম দৰত হাইড্ৰ'জেনৰ উৎপাদন সম্ভৱ হ'ব পাৰে। পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে ভাৰতবৰ্ষক ইন্ধন ৰপ্তানিকাৰী ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে প্ৰতি কিলোগ্ৰামত ১ ডলাৰ মূল্যত হাইড্ৰ'জেন উৎপাদন কৰাৰ লক্ষ্য স্থিৰ কৰিছে। ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত কৃষি খণ্ডৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰি শ্ৰীগাডকাৰীয়ে কয় যে, খেতিয়কসকল অকল অন্নদাতাই নহয়, বৰং নৰা ব্যৱহাৰ কৰি জৈৱ ইথানল প্ৰস্তুতকৰণৰ জৰিয়তে ইন্ধনদাতা আৰু হাইড্ৰ'জেন দাতা হিচাপে গঢ়ি তোলাৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে। তেওঁ লগতে ব্যক্তিগত প্ৰতিষ্ঠানসমূহক গ্ৰাম্য আৰু জনজাতীয় এলেকাসমূহত বিশেষ গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনায়। মহানগৰসমূহত অধিক গুৰুত্ব আৰোপৰ ফলত দেশত অৰ্থনৈতিক ব্যৱধানৰ সৃষ্টি হোৱাৰ বিষয় লৈ মন্ত্ৰীগৰাকীয়ে উদ্বেগ প্ৰকাশ কৰে।

000000000

পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে এন ডি এ চৰকাৰৰ তৃতীয় কাৰ্য্যকালৰ প্ৰথম ১০০ দিনত ভালেমান গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। মন্ত্ৰালয়ে কৈছে যে, শেহতীয়াকৈ চৰকাৰে সংশোধিত প্ৰধানমন্ত্ৰী জৈৱ ইন্ধন পৰিৱেশ অনুকূল শস্যৰ অৱশিষ্ট বিনষ্টকৰণ যোজনাত অনুমোদন জনাইছে। এই আঁচনিৰ জৰিয়তে শস্য চপোৱাৰ পাছত কৃষি পথাৰত বৈ যোৱা শস্যৰ অৱশিষ্টৰ বাবে খেতিয়কসকলক লাভজনক আয় প্ৰদানৰ লগতে পৰিৱেশ প্ৰদূষণৰ সমস্যা সমাধানৰ লক্ষ্য স্থিৰ কৰা হৈছে। আঁচনিখনৰ সংশোধন কৰি উন্নত জৈৱ ইন্ধনৰ বাবে বিত্তীয় সাহায্য প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। প্ৰকল্প প্ৰস্তাৱসমূহৰ ক্ষেত্ৰত নতুন প্ৰযুক্তি আৰু উদ্ভাৱনত বিশেষ গুৰুত্ব প্ৰদান কৰা হ'ব বুলিও আঁচনিখনত উল্লেখ কৰা হৈছে। এই আঁচনিখনে স্থানীয়ভাৱে কৰ্ম-সংস্থাপনৰ সুযোগ সৃষ্টিত সহায় কৰিব আৰু দেশৰ শক্তি, সুৰক্ষা আৰু আত্ম-নিৰ্ভৰশীলতা সুনিশ্চিত কৰিব।

এন ডি এ চৰকাৰৰ তৃতীয় কাৰ্য্যকালত বিগত তিনিমাহত প্ৰধানমন্ত্ৰী উজ্বলা যোজনাৰ অধীনত ৰন্ধন গেছ্‌ৰ জনমুৰি ব্যৱহাৰ যথেষ্ট বৃদ্ধি পাইছে। চলিত বৰ্ষৰ জুলাইত ভাৰতীয় তেল নিগম লিমিটেডে পৰীক্ষণ আৰু সঞ্চালনৰ বাবে ভাৰতীয় নৌ সেনালৈ বিদ্যুৎ উৎপাদন কৰাৰ বাবে হাইড্ৰ'জেন ইন্ধন কোষ ব্যৱহাৰ কৰা বাছ যোগান ধৰাৰ বাবে নৌসেনা বাহিনীৰ সৈতে বুজাবুজিৰ চুক্তি সম্পাদন কৰিছে। এই চুক্তি বহনক্ষম উন্নয়ন আৰু পৰিৱেশ ব্যৱস্থাপনাৰ প্ৰতি দেশৰ প্ৰতিশ্ৰুতিৰদ্ধতাৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে পৰিগণিত হৈছে।

০০০০০০০০০

ভাৰতে আজি বাংগালুৰুৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত বাংলাদেশৰ বিৰুদ্ধে অনুষ্ঠিত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ প্ৰথম দিনৰ খেলৰ সামৰণিৰ পৰলৈকে প্ৰথম ইনিংছত ৬টা উইকেট হেৰুৱাই ৩৩৯ ৰান সংগ্ৰহ কৰে। দিনান্তত ৰবিচন্দ্ৰন অশ্বিনে ১০২ ৰাণ আৰু ৰবীন্দ্ৰ জাদেজাই ৮৬ ৰাণ কৰি খেলি আছিল। টেষ্ট ক্ৰিক্ৰেটৰ ইতিহাসত ৰবিচন্দ্ৰন অশ্বিনৰ এয়া ষষ্ঠটো শতক। ভাৰতৰ হৈ প্ৰথমটো ইনিংছত যশস্বী জয়ছোৱালে ৫৬ আৰু ঋষভ পণ্টে ৩৯ ৰাণৰ বৰঙণি আগবঢ়ায়। বাংলাদেশৰ হাচান মেহমুদে চাৰিটা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে বাংলাদেশে টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়।

০০০০০০০০০

**সমাপ্ত**